# সভাৰ প্ৰতিষ্ঠাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন




অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক
শৰৎ চন্দ্ৰ গোস্বামীৰ স্মৃতি দিৱস উপলক্ষে
প্ৰতিচ্ছবিৰ সমুখত শ্ৰদ্ধা জ্ঞাপন কৰিছে
সভাৰ উপ-সভাপতি শ্ৰীমতী মৃণালিনী দেৱীয়ে।
কাষত সভাৰ প্ৰধান সম্পাদক
যাদব চন্দ্ৰ শৰ্মা

যোৱা ১৯ ডিচেম্বৰ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয় ভগৱতীপ্ৰসাদ বৰুৱা ভৱন প্ৰাঙ্গণত সভাৰ প্ৰতিষ্ঠাপক সম্পাদক, প্ৰসিদ্ধ সাহিত্যিক শৰৎ চন্দ্ৰ গোস্বামীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাৰ উপ-সভাপতি শ্ৰীমতী মৃণালিনী দেৱীয়ে প্ৰয়াত গোস্বামীদেৱৰ প্ৰতিচ্ছবিৰ সমুখত কৰা বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলিৰে কাৰ্যসূচী আৰম্ভ হয়।

উপ-সভাপতি শ্ৰীমতী মৃণালিনী দেৱীয়ে তেওঁৰ ভাষণত আজিৰ নতুন প্ৰজন্মক শৰৎ চন্দ্ৰ গোস্বামীৰ কৰ্মস্পৃহাৰ উদাহৰণ প্ৰেৰণা হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। 'প্ৰয়াত গোস্বামীদেৱ আছিল এনে এগৰাকী ব্যক্তি যিয়ে সম্পূৰ্ণ একক প্ৰচেষ্টাৰে অসম সাহিত্য সভাৰ সাংগঠনিক দিশ সবল কৰি তুলিছিল। এইজনা কৰ্মোদ্যমীৰ প্ৰসিদ্ধ সাহিত্য সৃষ্টিৰ যথোচিত মূল্যায়ণ হোৱাৰ ক্ষেত্ৰত আমাৰ বহু কৰিবলগীয়া আছে,' শ্ৰীমতী দেৱীয়ে মন্তব্য কৰে।

সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পিছত তেওঁৰ ভাষণত কয় যে প্ৰয়াত গোস্বামী কৰ্ম সংস্কৃতিৰ প্ৰতি উৎসৰ্গিত এগৰাকী বিৰল গুণসম্পন্ন সাহিত্য-সংগঠক আছিল আৰু তেওঁৰ অহোপুৰুষাৰ্থৰ ফলত প্ৰতিষ্ঠাৰ পিছতেই অসম সাহিত্য সভাৰ সবল সাংগঠনিক ভেটি গঢ় লৈ উঠিছিল। 'পিছে পৰিতাপৰ কথা যে এগৰাকী উচ্চমানৰ সাহিত্যিক হিচাপে শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰকৃত মূল্যায়ণ আজিও নহ'ল। অসম সাহিত্য সভাই প্ৰয়াত গোস্বামীৰ সম্পূৰ্ণ ৰচনাৱলী প্ৰকাশৰ আঁচনি সোনকালেই গ্ৰহণ কৰিব', শ্ৰীশৰ্মাই কয়।

সভাৰ সচিব চন্দন শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, আহ্বায়ক ড° শ্যামলপ্ৰসাদ শইকীয়া, সহকাৰী আহ্বায়ক ডাঃ মৃন্ময় নাথ, আভ্যন্তৰীণ হিচাপ পৰীক্ষক বিষ্ণু ডেকা, সংগঠক ডিম্বেশ্বৰ পাঠক, সদস্য অনুপ কুমাৰ তালুকদাৰ, ডাঃ বিনয় কুমাৰ নাথ, লেখিকা শ্ৰীমতী আলো নুনিচা থাওচেন, গায়িকা মলয়া ভৰালী আৰু সভাৰ গুৱাহাটী কাৰ্যালয়ৰ কৰ্মচাৰীসকলে সভাত উপস্থিত থাকি পুষ্পাঞ্জলি অৰ্পণ কৰে।

০০০০